# অসমীয়া ভাষাৰ বৈশিষ্ট্য ঃ বৰ্ণ, লিপি, বানান আৰু উচ্চাৰণ সম্পৰ্কে কিছু কথা

ড° ৰাজেন বৰুৱা

অসমীয়া ভাষাটো একে ভাৰতীয় আৰ্য ঠালৰপৰা ওলোৱা ভাষা হ'লেও ই অন্য মধ্য ভাৰতীয় ভাষাতকৈ কিছু বেলেগ। কিন্তু এই ভাষাটো কি কি বিষয়ত কিয় আৰু কেনেকৈ বেলেগ তাৰ সবিশেষ আলোচনা পণ্ডিত মহলত হৈছে যদিও সি সাধাৰণ অসমীয়া ৰাইজৰ সাধাৰণতে জ্ঞানৰ বাহিৰত। তাৰ এটা কাৰণ অন্ততঃ উচ্চাৰণৰ ক্ষেত্ৰত। অসমীয়া ভাষাটোৰ আখৰবোৰৰ আচল উচ্চাৰণবোৰ আমাক স্কুলত কোনো শিক্ষকে কোনোদিনেই শিকোৱা নাছিল। মূলতঃ কি কাৰণেনো স, শ, ষ—আমাৰ এই তিনিটা আখৰ আছে আৰু তাৰ প্ৰকৃত উচ্চাৰণনো কি? বা চ, ছ, জ, ঝ আখৰৰ উচ্চাৰণ কেনে? ট ফলা—ট, ঠ, ড, ঢ, ণ আৰু ত ফলা—ত, থ, দ, ধ, ন-ৰ উচ্চাৰণ কেনে? ৰ আৰু ড়-ৰ উচ্চাৰণ বেলেগ নেকি? আৰু যদি এইবোৰৰ উচ্চাৰণৰ পাৰ্থক্য নাই তেনেহ'লে ইমানবোৰ অধিক আখৰ আমাৰ বৰ্ণমালাত কিয় আছে? মুঠতে এজন অসমীয়া ল'ৰাই অসমীয়া মাধ্যমত পঢ়ি শিক্ষা লাভ কৰিলেও এনে বহু কথা আৰু ভাষাটোৰ অন্য জানিবলগীয়া বহুত কথা নজনাকৈয়ে থাকি যায়। মই নিজেও ইয়াৰ ভুক্তভোগী। মই যোৱা চল্লিছ বছৰে সুদূৰ আমেৰিকাত থাকি নিজৰ আগ্ৰহত অসমৰ বহুত পণ্ডিতৰ লগত আলোচনা কৰি, অনেক গ্ৰন্থ পঢ়ি আৰু চিন্তা কৰি ইয়াৰ বহুত প্ৰশ্নৰ উত্তৰ পাইছোঁ আৰু বহুতৰ উত্তৰ হয়তো এতিয়াও পোৱা নাই। একপ্ৰকাৰে চাবলৈ গ'লে ক'ব লাগিব যে আমি অসমীয়াই যেন যোৱা দুশ বছৰে নিজকে চিনিবলৈ চেষ্টা কৰি আছোঁ আৰু এতিয়াও হয়তো নিজকে ভালদৰে চিনি পোৱা নাই। সেয়েহে ভাবিলোঁ মোৰ চিন্তা আৰু গৱেষণাখিনি সম্বন্ধে কিছু কথা লিখি থৈ গ'লে মোৰ নিচিনা বহুতৰ হয়তো উপকাৰ হ'ব।

অসমীয়া ভাষাটোৰ এটা বিশেষ বৈশিষ্ট্য হ'ল স উচ্চাৰণটো। আমি স, শ আৰু ষ এই তিনিটা আখৰৰ একে উচ্চাৰণ কৰোঁ। তাৰ প্ৰমাণ শগুণে সদায় ষাঁড় গৰু খায়।—এই বাক্যটোতে আছে। এই বাক্যটোত কোনো অসমীয়াই তিনিটা 'স'-ৰ উচ্চাৰণ বেলেগ ধৰণে নকৰে। ইয়াৰ উচ্চাৰণ সংস্কৃত ভাষাৰ একে তিনিটা আখৰৰ উচ্চাৰণতকৈ সম্পূৰ্ণ বেলেগ। সংস্কৃতত এই তিনিটা আখৰৰ উচ্চাৰণ তিনিটা শ্ব উচ্চাৰণ (দন্তীয়, তালব্য আৰু মূৰ্ধন্য) হয়। মোৰ অন্য কিছু ৰচনাত মই দেখুৱাইছোঁ যে এই 'স' উচ্চাৰণটো আৰ্য মূলৰ আৰু অসমীয়াৰ বাপতি-সাহোনস্বৰূপ আৰু ই অসমীয়াৰ অতি পুৰণি কালৰেপৰা আছে। অসমীয়াৰ দৰে স উচ্চাৰণটো পৃথিৱীৰ বহুত ভাষাত আছে আৰু ইয়াক IPA-এই (International Phonetic Association) X আখৰেৰে চিনাক্ত কৰিছে। *(প্ৰান্তিকত প্ৰকাশিত মোৰ প্ৰবন্ধ, অসমীয়াৰ বাপতি-সাহোন 'স' উচ্চাৰণৰ তাৎপৰ্য। দ্ৰষ্টব্য) (প্ৰান্তিক, ১-১৫ ডিচেম্বৰ, ২০০৯)*

অসমলৈ এই স উচ্চাৰণটো ক'ৰপৰা কেনেকৈ আৰু কেতিয়া আহিল তাৰ আঁতিগুৰি বিচাৰি আমি আৰ্যসকলৰ প্ৰাগঐতিহাসিক কালৰ আগমনলৈ ঘূৰি যাব লাগিব। এটা সমীক্ষা মতে ঋকবৈদিক আৰ্যসকলৰ পূৰ্বতে আলপাইন (অসুৰ) আৰ্যসকলেই আহি ভাৰতৰ পূব প্ৰান্ত পাইছিলহি খ্ৰিষ্টপূৰ্ব ২০০০ মানত। সেয়া আছিল প্ৰায় ৰামায়ণৰ কাহিনীৰ সময়। এই আলপাইনসকলেই ডাৰ্ডিক আৰু পিশাছী শাখাৰ আৰ্য ভাষা পূব প্ৰান্তত অসমীয়া, বাঙালী, বিহাৰী আৰু ওড়িয়াৰ মাজত প্ৰচাৰ কৰিছিল। পণ্ডিত গিয়াৰছনৰ মতে এই পূব প্ৰান্তৰ ভাষাগোষ্ঠী হ'ল ভাৰতৰ বহিঃচক্ৰৰ আৰ্য ভাষা। এই আলপাইনসকলে যি ভাষা-সংস্কৃতি চলাইছিল সি আছিল মূলতে ইৰানৰ ভাষা-সংস্কৃতিৰ ভিত্তিত স্থাপিত। উল্লেখযোগ্য যে পাৰস্যৰ ভাষাত এই স উচ্চাৰণটো আছে। ইৰানী আৰু আৰবী বৰ্ণমালাৰ kh (খ) আখৰটো উচ্চাৰণ German chৰ (as in Bach) দৰে কৰে, অৰ্থাৎ অসমীয়াৰ উচ্চাৰণৰ দৰে। তেওঁলোকৰ খটম, তাৰিখ আদি শব্দৰ প্ৰকৃত উচ্চাৰণ হয় সটম, তাৰিস ইত্যাদি। অন্য কিছুমান শব্দত অসমীয়াৰ স উচ্চাৰণটো ইৰানৰ (পাৰস্য) হ উচ্চাৰণ হৈ পৰিছেগৈ। অসমীয়া অসুৰ, পাৰস্যৰ অহুৰ। অসুৰ শব্দৰ অৰ্থ হ'ল অনেক দেৱ-দেৱীক পূজা নকৰি, এজন ঈশ্বৰক পূজা কৰা; তেওঁ হ'ল অহুৰ মেজদা। অসমীয়াৰ সিন্ধু নদী, পাৰস্যবাসীৰ হিন্দু নদী, যিটো নামেৰেই হিন্দু নদীৰ পাৰত বাস কৰা মানুহবিলাকক (ভাৰতীয়) পাৰস্যবাসীয়ে নাম দিছিল হিন্দু বুলি।

সি যি কি নহওক, ঋকবৈদিক আৰ্যসকলে পূব ভাৰতৰ এই আলপাইন সংস্কৃতিক ভ্ৰাত্য সংস্কৃতি বুলি আখ্যা দিছিল। এই ঋকবৈদিক আৰ্যসকল ইৰানত তেওঁলোকৰ ভাতৃসম এই আলপাইন আৰ্যসকলৰপৰা সেই খ্ৰিষ্টপূৰ্ব ২৫০০ মানতে বিভক্ত হৈ পৰে। পাছত এই ঋকবৈদিক আৰ্যসকলে যেতিয়া ভাৰতৰ মাজভাগেদি আহি মগধ আৰু পূব প্ৰান্তত এই আগেয়ে অহা আলপাইনসকলক লগ পায়হি, তেতিয়াৰ সময় আছিল অনুমানিক খ্ৰিষ্টপূৰ্ব প্ৰায় ১০০০, প্ৰায় কুৰুক্ষেত্ৰ যুদ্ধৰ কাহিনীৰ সময়। উল্লেখযোগ্য যে তেজপুৰৰ অগ্নিগড়ৰ ৰজা বাণাসুৰ আৰু পাছৰ প্ৰাগজ্যোতিষৰ নৰকাসুৰ, এই দুয়োজনকে আলপাইন আৰ্য বুলি ধৰা হয়।

এই আলপাইনসকলে কঢ়িয়াই অনা এই ডাৰ্দিক, পিশাছী মৌখিক ভাষাৰ গঠন হৈছিল ধ্ৰুপদী সংস্কৃত ভাষা উদ্ভাৱন হোৱাৰ আগেয়েই পূব প্ৰান্তত পৰিচালিত আঞ্চলিক প্ৰাকৃত আৰু অপভ্ৰংশৰপৰা। এই ভাষাত মূৰ্ধন্য ট ফলা (ট, ঠ, ড, ঢ, ণ) নাছিল, আৰু এটাই 'স' উচ্চাৰণ আছিল। ঋকবৈদিক আৰ্যসকলৰো এই মূৰ্ধন্য ট ফলা আদিতে নাছিল। কিন্তু তেওঁলোকে মধ্য ভাৰতত পঞ্জাবৰ মাজেদি আহি দ্ৰাবিড় সংস্কৃতিৰ ঘোৰ সংস্পৰ্শত পৰি যি ধ্ৰুপদী সংস্কৃত ভাষা সৃষ্টি কৰিলে, তাত মূৰ্ধন্য ট ফলা (ট, ঠ, ড, ঢ, ণ) স্থাপিত হ'ল। এই মূৰ্ধন্য ট ফলা ইউৰোপীয় ভাষাত নাই। লগতে সৃষ্টি হ'ল 'স' উচ্চাৰণৰ ঠাইত দন্তীয়, তালব্য আৰু মূৰ্ধন্য শ্ব উচ্চাৰণৰ। সেইফালৰপৰা অৰ্থাৎ ধ্ৰুপদী সংস্কৃত ভাষাটো দ্ৰাবিড় সংস্কৃতিৰ সংস্পৰ্শত সৃষ্টি হোৱা একেবাৰে ভাৰতত সৃষ্টি হোৱা ভাষা। পাছত ঋকবৈদিক ব্ৰাহ্মণ্য আৰ্য সংস্কৃতিৰ প্ৰবল হেঁচাত, এই নব্য-সংস্কৃত ভাষাৰ প্ৰভাৱ পূব প্ৰান্তত (অসম, বংগ, বিহাৰ আৰু ওড়িশা) পৰিবলৈ ধৰে। ইয়াৰে ভিতৰত অসমখন একেবাৰে পূবপ্ৰান্তীয় বাবে ধ্ৰুপদী সংস্কৃত ভাষাৰ উচ্চাৰণৰ প্ৰভাৱ